*Total number of printed pages–3*

**3 (Sem – 5/CBCS) ASM SE 1**

**2025**

**ASSAMESE**

( Skill Enhancement Course )

Paper : ASM – SE – 5014

*( আবৃত্তি কলা )*

*Full Marks : 50*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

১। এটা শব্দ *বা* এটা বাক্যত উত্তৰ দিয়া ঃ ১×৫=৫

(ক) আবৃত্তিৰ *যিকোনো এবিধ* কৌশলৰ নাম লিখা।

(খ) ছন্দৰ মূল কি?

(গ) আবৃত্তিৰ আভিধানিক অৰ্থ কি?

(ঘ) আবৃত্তিৰ ইংৰাজী প্ৰতিশব্দ কি?

(ঙ) বেদৰ আন এটা নাম কি?

২। চমুকৈ উত্তৰ দিয়া ঃ ২×৩=৬

(ক) আবৃত্তি কিয় কৰা হয়?

(খ) ধ্বনি কাক বোলে?

(গ) ৰামায়ণৰ সৃষ্টি কোনটো শ্লোকৰ পৰা হৈছিল?

৩। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ ৫×৩=১৫

(ক) আবৃত্তিৰ সৈতে স্মৃতিশক্তিৰ সম্পৰ্ক কেনেকুৱা, ব্যাখ্যা কৰা।

(খ) আবৃত্তিৰ সৈতে আবেগৰ সম্পৰ্ক কি, বুজাই লিখা।

(গ) আবৃত্তি আৰু সাধাৰণ পাঠৰ মাজত কি কি পাৰ্থক্য দেখা যায়, আলোচনা কৰা।

(ঘ) ছন্দ বুলিলে কি বুজা? বুজাই লিখা।

(ঙ) যতি কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি? প্ৰত্যেকৰে সূত্ৰ লিখা।

৪। *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ কৰিবা ঃ ৮×৩=২৪

(ক) আবৃত্তিৰ স্বৰূপ বিচাৰ কৰি, আবৃত্তিত সুৰ আৰু লয়ৰ প্ৰয়োগ সম্পৰ্কে বিতংকৈ লিখা।

(খ) কবিতা এটিক আবৃত্তিৰ ৰূপত উপস্থাপনাৰ ক্ষেত্ৰত ছন্দ, ধ্বনি, যতি আৰু কাব্যগতিৰ প্ৰয়োজনীয়তা সম্বন্ধে আলোচনা কৰা।



(গ) শ্বাস প্ৰশ্বাসৰ সৈতে আবৃত্তিৰ সম্পৰ্ক কি? বুজাই লিখা।

(ঘ) আবৃত্তি এটি প্ৰস্তুত কৰিবৰ বাবে কি কি দিশৰ ওপৰত গুৰুত্ব দিব লাগে, আলোচনা কৰা।

(ঙ) আবৃত্তিৰ ইতিহাস আৰু পৰম্পৰা সম্পৰ্কে ব্যাখ্যা কৰা।